# মনপা জনগোষ্ঠীৰ সমাজ-জীৱন : পৰম্পৰা আৰু পৰিৱৰ্তন

ড° চন্দ্ৰ কমল চেতিয়া
সহকাৰী অধ্যাপক
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

**সংক্ষিপ্ত সাৰঃ**

*আমাৰ গৱেষণা পত্ৰখনিৰ বাবে নিৰ্বাচিত বিষয়টি হ'ল- **'মনপা জনগোষ্ঠীৰ সমাজ ব্যৱস্থা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন'**। উল্লেখ্য উত্তৰ পূৱ ভাৰতৰ অন্তৰ্গত ৰাজ্য অৰুণাচল প্ৰদেশৰ কামেঠ জিলাৰ পশ্চিম অঞ্চলত বসবাস কৰা এই জনগোষ্ঠীটোৰ এক বুজনসংখ্যক লোকে আজিও পশু পালনকে জীৱিকাৰ মূল উৎস হিচাপে গ্ৰহণ কৰি আহিছে। গৱেষণাপত্ৰখনিৰ প্ৰথম অধ্যায়ত **মনপা জনগোষ্ঠীৰ এটি চমু পৰিচয়** পৰিচয় দাঙি ধৰা হৈছে। দ্বিতীয় অধ্যায়ত **মনপা জনগোষ্ঠীৰ সমাজ জীৱন** সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে। এই অধ্যায়ৰ অন্তৰ্গত ভাৱে মনপাসকলৰ ধৰ্ম, বিবাহ, বহু পতি গ্ৰহণৰ পৰম্পৰা 'খোৰ দেপকা প্ৰথা', গাঁও পৰিচালনা সমিতি আৰু থাম্পানাঙৰ থাম্পাৰ হতুৱাই এশ আঠ টুকুৰাকৈ কাটি নদীত উটুৱাই কৰা অগতানুগতিক শৱ সৎকাৰ পৰম্পৰাৰ বিষয়ে আলোকপাত কৰা হৈছে। উল্লেখ্য যে বৰ্তমান সময়ত বহুপতি বিবাহ বা খোৰ দেপকাৰ প্ৰচলন বহু পৰিমাণে কমি গ'লেও একেবাৰে নিঃশেষ হৈ যোৱা নাই, যিটোৱে 'ব্ৰুক্পা'সকলক উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে এক বৈশিষ্ট্যপূৰ্ণ জনগোষ্ঠী বুলি পৰিচয় দি আহিছে। গৱেষণাপত্ৰখনিৰ তৃতীয় অধ্যায়ত **মনপা জনগোষ্ঠীৰ মাজত প্ৰচলিত ব্ৰোকপা প্ৰথা**ৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। গৱেষণাপত্ৰখনিৰ চতুৰ্থ তথা অন্তিম অধ্যায়টি হ'ল- **বিশ্বায়নৰ প্ৰভাৱত মনপা সমাজ**। আধুনিকতাই পৃথিৱীৰ প্ৰতিটো প্ৰান্তৰকে চুই যোৱাৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশৰ মনপা সমাজখনৰ আচাৰ-বিচাৰ তথা বৌদ্ধিক দৃষ্টিকোণলৈ আহি পৰা 'সমাজ-সাংস্কৃতিক-বৌদ্ধিক' পৰিৱত্ৰনৰ বিষয়ে এই অধ্যায়টিত বিশদভাৱে আলোচনা কৰা হৈছে। এই গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবৰ বাবে প্ৰাথমিক উৎস হিচাপে ক্ষেত্ৰ অধ্যয়নৰ ওপত অধিক গুৰুত্ব দিয়া হৈছে। ক্ষেত্ৰ অধ্যয়নৰ বাবে প্ৰধানকৈ অৰুণাচল প্ৰদেশৰ পশিচম কামেং জিলাক নিৰ্বাচন কৰি লোৱা হৈছে। আমাৰ সমগ্ৰ আলোচনাটি বৰ্ণনাত্মক পদ্ধতিৰে আগুৱাই নিয়া হৈছে।*

*সূচক শব্দ - মনপা, জনগোষ্ঠী, পৰম্পৰা, পৰিৱৰ্তন*

## ০.০০ প্ৰস্তাৱনা :

### ০.০১ বিষয়ৰ পৰিচয় :

আমাৰ আলোচনাৰ বাবে নিৰ্বাচিত বিষয়টি হ'ল 'মনপা জনগোষ্ঠীৰ সমান জীৱন : পৰম্পৰা আৰু পৰিৱৰ্তন'। উত্তৰ-পূৱ ভাৰতৰ অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত মনপাসকল অন্যতম। বৰ্তমানেও বৌদ্ধধৰ্মী মনপা লোকসকলে নিজা ভাষা কৃষ্টি অটুত ৰাখিবলৈ সক্ষম হৈছে। এই গৱেষণা পত্ৰখনিৰ প্ৰথম অধ্যায়ত মনপা জনগোষ্ঠীৰ বিষয়ে এটি চমু পৰিচয় দাঙি ধৰা হৈছে। আলোচনাৰ দ্বিতীয় অধ্যায়ত মনপা জনগোষ্ঠীৰ সমাজ জীৱন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা হৈছে। এই অধ্যায়টিত মনপা জনগোষ্ঠীৰ পৰম্পৰাগত ধৰ্ম, বিবাহ আৰু শৱ সৎকাৰ প্ৰণালীৰ বিষয়ে বিশদভাৱে আলোচনা কৰা

হৈছে। মনপা জনগোষ্ঠীৰ এক বুজনসংখ্যক লোকে বৰ্তমানেও পশুপালনকে জীৱিকাৰ প্ৰধান উৎস হিচাপে গ্ৰহণ কৰি আহিছে। এনেদৰে পশুপালনকে জীৱিকা বুলি লোৱা লোকসকলক মনপা ভাষাত ব্ৰোকপা বোলা হয়। এই ব্ৰুকপাসকলে বছৰৰ সৰহসংখ্যক দিন বিশেষকৈ অৰুণাচল প্ৰদেশৰ ঘন পাহাৰীয়া অৰণ্যৰ মাজত ইঠাইৰ পৰা সিঠাইলৈ প্ৰব্ৰজন কৰিয়েই কটাব লগীয়া হয়। গৱেষণাপত্ৰখনিৰ দ্বিতীয় অধ্যায়ত মনপাসকলৰ 'ব্ৰোকপা' সংস্কৃতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত মনপা সংস্কৃতিলৈও ভালেখিনি পৰিৱৰ্তন আহিছে। মনপা জনজীৱনৰ বিভিন্ন দিশত পৰিলক্ষিত হোৱা এনে পৰিৱৰ্তনৰ বিষয়েও উক্ত গৱেষণাপত্ৰখনিত বিশদভাৱে আলোচনা কৰা হৈছে।

## ০.০২ অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্য :

অৰুণাচলৰ সীমামূৰীয়া অঞ্চলত বসবাস কৰা মনপা জনগোষ্ঠীৰ লোক জীৱনক সকলোৰে দৃষ্টিগোচৰ কৰোৱাই আমাৰ এই গৱেষণাপত্ৰখনিৰ মূল উদ্দেশ্য। উত্তৰ পূৰ্ব ভাৰতৰ মনপাসকলৰ বিষয়ে অতি কমসংখ্যক তথ্যহে পূৰ্বসূৰী লেখকসকলৰ লেখনিৰ মাজত পৰিলক্ষিত হয়। তেওঁলোকৰ সমাজ-সংস্কৃতি-ভাষা আদিৰ সন্দৰ্ভত আজিও পূৰ্ণাংগভাৱে অধ্যয়ন হোৱা নাই। উল্লেখ্য যে উত্তৰ পূৰ্ব ভাৰতৰ প্ৰেক্ষাপটত 'মুলুক', 'বৰাহী' আদি কেইবাটিও জনগোষ্ঠী ইতিমধ্যে কালৰ গৰাহত হেৰাই গ'ল। তেওঁলোকৰ কোনো অস্তিত্ব আজি উত্তৰ-পূৰ্বৰ প্ৰেক্ষাপটত পোৱা নাযায়। তেনে এক দৃষ্টিকোণৰ পৰা অৰুণাচলৰ পাৰ্বত্য অঞ্চলত বসবাস কৰা সীমিত জনসংখ্যাৰ মনপাসকলো কোনোবাদিনা আন কোনো এক শক্তিশালী সংস্কৃতিৰ লগত বিলীন হৈ চিৰদিনলৈ নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱাটো একো অস্বাভাৱিক কথা নহয়। এনে এক সন্ধিক্ষণত মনপাৰ দৰে সৰু সৰু জনগোষ্ঠীবোৰক জনচক্ষুৰ আঁৰত নাৰাখি সকলোৰে আগত পৰিচয় কৰাই দিয়াৰ সময় সমাগত। এইক্ষেত্ৰত তেওঁলোকৰ ভাষা-সংস্কৃতিৰ বিষয়ে সুসংহত আৰু পদ্ধতিগত আলোচনাই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। কাৰণ এনে আলোচনাই এফালে তেওঁলোকৰ এটা সময়ৰ ভাষিক সাংস্কৃতিক পৰিক্ৰমাক সংৰক্ষণ কৰিব আৰু আনফালে এনে আলোচনাই দেশৰ বিভিন্ন প্ৰান্তৰৰ মানুহক সেই জনগোষ্ঠীটিৰ ওচৰ চপাই অনাত সহায়ক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

## ০.০৩ অধ্যয়নৰ পদ্ধতি আৰু তথ্য আহৰণৰ উৎস :

এই গৱেষণাপত্ৰখনি মূলতঃ বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে । তথ্যসংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়নত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। তথ্যগত উৎস হিচাপে মূখ্য উৎসক প্ৰধান্য দিয়া হৈছে। প্ৰয়োজন সাপেক্ষে দুই এক গৌণ উৎসৰো সহায় লোৱা হৈছে।

## ০.০৪ অধ্যয়নৰ পৰিসৰ :

আমাৰ অধ্যয়নৰ পৰিসৰে মনপা জনগোষ্ঠীৰ সমাজ জীৱনৰ কেইটিমান দিশক প্ৰধানকৈ সামৰি লৈছে। সেই দিশকেইটি হ'ল- ধৰ্ম, বিবাহ আৰু শৱ সৎকাৰ প্ৰণালী আৰু ব্ৰোকপা পৰম্পৰা। ইয়াৰ উপৰি সাম্প্ৰতিক সময়ত গোলকীকৰণৰ প্ৰেক্ষাপটত মনপা সমাজত পৰিলক্ষিত হোৱা আধুনিকতাৰ প্ৰভাৱ সম্পৰ্কেও আমাৰ

এই গৱেষণাপত্ৰখনিত বিশ্লেষণ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ পৰিসৰ হিচাপে অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ থেমবাং, পাংমা আৰু লাগাম অঞ্চলক অন্তৰ্ভূক্ত কৰা হৈছে।

## ১.০০ মনপা জনগোষ্ঠীৰ এটি চমু পৰিচয় :

উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ ভিতৰত মনপা জনগোষ্ঠী অন্যতম। নিজা ভাষা সংস্কৃতিৰে চহকী মনপাসকল প্ৰজাতিগত দিশৰ পৰা মংগোলীয় প্ৰজাতিৰ লোক। মনপা জনগোষ্ঠীৰ লোকসকল অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাত বসবাস কৰে । অৱশ্যে আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু তীব্বতোতো কিছুসংখ্যক মনপা লোকে বসবাসস কৰি আহিছে। ধৰ্মীয় দিশৰ পৰা মনপা জনগোষ্ঠীৰ লোকসকল বৌদ্ধ ধৰ্মৰ মহাযানী শাখাৰ অন্তৰ্গত। ভাষাগত দৃষ্টিকোণৰ পৰা মনপাসকলৰ কথিত ভাষাটোক তীব্বতবৰ্মী ভাষাগোষ্ঠীৰ খৌ-ব’ৱা ( Kho-Bwa) থুলত অন্তৰ্ভৰ্ক্ত কৰিব পাৰি। এই ভাষাটো মূল তীব্বতী ভাষাৰ অতি ওচৰ চপা হোৱাৰ বাবে তেওঁলোকে এই ভাষাটো লিখিবৰ বাবে তীব্বতীয় লিপিকে ব্যৱহাৰ কৰা পলিলক্ষিত হৈছে।

বৃত্তিগত দিশৰ পৰা মনপা জনগোষ্ঠীৰ লোকসকল প্ৰধানকৈ পশু পালনৰ লগত জড়িত। বিশেষকৈ – মেথোন, চামৰী গাই, জু মু পালনৰ ক্ষেত্ৰত মনপাসকল যথেষ্ট আগবঢ়া। কিন্তু অৰুণাচল প্ৰদেশৰ মনপাসকলৰ এটা অংশই কৃষিকো জীৱিকাৰ অংগ হিচাপে গ্ৰহণ কৰিছে। অৰুণাচলৰ পাহাৰীয়া অঞ্চল ধানখেতিৰ বাবে উপযুক্ত নহয়। সেয়ে তেওঁলোকে গোমধান আৰু নানা ৰবিশস্যৰ খেতি কৰাৰ দিশতহে অধিক গুৰুত্ব দিয়ে। শীতকাল অহাৰ লগে লগে টাৱাঙৰ ওপৰ অৰশৰ পৰা য়াকৰ পাল লৈ ব্ৰুকপাসকল নামিব ধৰে।তেতিয়া ব্ৰকপাসকলে প্ৰস্তুত কৰি অনা চুৰপি (পৰম্পৰাগত ঘিউ)ৰ লগত এনে খাদ্য দ্ৰব্যসমূহ সালসলনি কৰাৰ এটা পৰম্পৰাও তেওঁলোকৰ মাজত দেখা যায়।

ধৰ্মীয় দৃষ্টিকোণৰ পৰা মনপাসকলে মহাযানী বৌদ্ধ ধৰ্মক প্ৰাধান্য দি আহিছে। তেওঁলোকৰ মাজত প্ৰচলিত এই মহাযানী পৰম্পৰাটো সৰ্বভাৰতীয় স্তৰৰ মহাযানী বৌদ্ধ ধৰ্মতকৈ তীব্বতীয় মহাযানী বৌদ্ধ ধৰ্মৰ প্ৰভাৱ অধিক। বিভিন্ন পৰম্পৰা, বিশ্বাস আদিৰ প্ৰতি লক্ষ্য ৰাখি এই শৈলীৰ লগত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰো কিছু আভাস পাব পাৰি। উল্লেখ্য যে মনপাসকলৰ মাজত প্ৰাপ্ত প্ৰাচীন শিলালেখ, ধৰ্মগ্ৰন্থ আদিৰ ভাষা আৰু লিপি দুয়োটাতে তীব্বতীয় পৰম্পৰাৰ প্ৰভাৱ সুস্পষ্ট।

মনপা জনগোষ্ঠীৰ মূল উৎসৱ হ’ল ল’চাৰ উৎসৱ। নৱবৰ্ষক আদৰণি জনাবলৈ তেওঁলোকে এই উৎসৱ অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে এই নৱবৰ্ষ নিৰ্ণয় কৰা হয় তীব্বতীয় পঞ্জীকা অনুসৰি। এতেকে সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ নৱবৰ্ষৰ ধাৰণাৰ লগত ল’চাৰ অনুষ্ঠানৰ ধাৰণাটোৰ কিঞ্চিত পাৰ্থক্য থকা দেখা যায় । ধৰ্মীয় দৃষ্টিকোণ তথা লোকসাংস্কৃতিক বিভিন্ন পৰম্পৰাৰ সমন্বয়ত ল’চাৰ অনুষ্ঠানটো অনুষ্ঠিত হয়।

## ২.০০ মনপা জনগোষ্ঠীৰ সমাজ জীৱন :

মনপা সমাজৰ সমাজ ব্যৱস্থালৈ মন কৰিলে দেখা যায় যে একোখন গাঁৱৰ পৰিচালনাৰ বাবে পাঁচ বা ছয়জনীয়া একোখন গাওঁসভা থাকে, যাৰ গুৰি ধৰে স্বয়ং সেই অঞ্চলৰ গাওঁবুঢ়াই। শান্তিপ্ৰিয় মনপাসকলৰ মাজত বিবাদ অতি ক’মেইহে সংঘটিত হয়। যদি কেতিয়াবা কাৰোবাৰ মাজত মনোমালিন্য ঘটে তেন্তে

পৰম্পৰাগত ৰীতি অনুযায়ী এই গাঁওসভাত ভুক্তভেগীয়ে গোচৰ তৰিব পাৰে। তেনে বিচাৰত দণ্ড পোৱা মানুহজনে বিভিন্ন ক্ষতিপূৰণ প্ৰতিপক্ষক দিব লগা হয়। থেমবাং অঞ্চলৰ ইতিহাস মতে অতীজতে গাওঁবুঢ়াই দোষী ব্যক্তিক কাৰাগাৰত আটক কৰি ৰখাৰো ক্ষমতা লাভ কৰিছিল। তাৰ বাবে গাঁৱত একোটা জেইলখানাৰো ব্যৱস্থা আছিল। থেমবাঙ অঞ্চলত অদ্যাপিও শিলেৰে নিৰ্মিত তেনে গ্ৰাম্য কাৰাগাৰৰ ভগ্নাৱশেষ দেখা পোৱা যায়। সাম্প্ৰতিক সময়তো চোৰগেন (গাওঁবুঢ়া)ক সমাজৰ সকলো লোকে সন্মান কৰি চলিব লাগে। ধৰ্মীয় দৃষ্টিকোণৰ ফালৰ পৰা বৌদ্ধ ধৰ্মাৱলম্বী মনপা সমাজত ধৰ্মগুৰু আৰু লামাসকলক উচ্চ স্থান প্ৰদান কৰা হয়। উত্তৰ পূৰ্বাঞ্চলৰ আন আন মংগোলীয় জনগোষ্ঠীসমূহৰ দৰেই মনপা সমাজতো নাৰীৰ সামাজিক মৰ্যাদা যথেষ্ট উচ্চ। পুৰুষতান্ত্ৰিক সমাজৰ নাৰী অৱদমন বা নাৰী নিৰ্যাতনৰ বিপৰীতে মনপা সমাজৰ নাৰীসকল যথেষ্ট মুক্ত। এই সমাজত বহুক্ষেত্ৰত পুৰুষৰ মহিলা উভয়ে প্ৰত্যহিক জীৱনৰ কাম কাজৰ লগতে ধৰ্মীয় কাম-কাজতো অংশগ্ৰহণ কৰাৰ অধিকাৰ লাভ কৰে।

## ২.০১ মনপা জনগোষ্ঠীৰ পৰম্পৰাগত ধৰ্ম :

পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে মনপা জনগোষ্ঠীৰ লোকসকল বৌদ্ধধৰ্মাৱলম্বী লোক। বৌদ্ধ ধৰ্মৰ মহাযানীৰ গেলুক শাখাৰ অন্তৰ্গত মনপাসকলৰ ধৰ্মীয় জনজীৱনত তীব্বতী য় প্ৰভাৱ সুস্পষ্ট। এই শ্বাশ্বত মহাযানী বৌদ্ধ ধৰ্মৰ লগত কালক্ৰমত বহু পৰিমাণে তান্ত্ৰিকতাৰ দিশটো নিহিত হৈ পৰে। উল্লেখ্য যে খ্ৰী. দশম শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰত এই 'তান্ত্ৰিক বৌদ্ধিজিম' তীব্বতৰ পৰা আৰম্ভ কৰি কামৰূপ তথা ইয়াৰ চুবুৰীয়া জনগোষ্ঠীয় ৰাজ্যসমূহ ( বৰ্তমানৰ উত্তৰ পূব ভাৰত)তো ব্যাপকৰূপে প্ৰাধান্য লাভ কৰিছিল।[১] বুদ্ধদেৱৰ ধৰ্মীয় দৰ্শনৰ লগত সানমিহলি হোৱা তান্ত্ৰিকতাৰ চৰ্চাই বহুক্ষেত্ৰত বোধলব্ধ পোনপটীয়া অভিজ্ঞতাৰ বিপৰীতে এক কুহেলিকাময় এক পৰিৱেশৰহে সূচনা কৰিছিল। ইয়াৰ লগতে 'দেহতত্ত্ব'ৰ ধাৰণাটোৱেও মহাযানী বৌদ্ধ ধৰ্মক এক নতুন দৃষ্টিকোণ প্ৰদান কৰিছিল। দেহতত্ত্বৰ মূল দৰ্শনটোৱেই হ'ল মানুহৰ দেহটো হ'ল বিশ্ব ব্ৰহ্মাণ্ডৰ এক ক্ষুদ্ৰ সংস্কৰণ। পৰমব্ৰহ্মৰ অধিস্থানো মানৱ শৰীৰতে। বৌদ্ধ ধৰ্মৰ 'ওঁ মাণি পদ্মে হুম্, ওঁম মাণি পদ্মে'- এই ধৰ্মীয় পদটিৰ মাজতে এই তত্ত্বৰ বীজ নিহিত হৈ আছে । এনে কাৰণবোৰৰ পৰিপ্ৰেক্ষিততে মনপাসকলে পালন কৰা বৌদ্ধ ধৰ্মৰ লগত একেখন ৰাজ্যৰে চিংফৌ, খামতি, খাময়াং আদি জনগোষ্ঠীয়ে পালন কৰি অহা বৌদ্ধ ধৰ্মৰ দিশত ভালেখিনি পাৰ্থক্য পৰিলক্ষিত হয়। মনপা সমাজত ধৰ্মগুৰু লামা আৰু ৰিমপোছেসকলৰ স্থান সদাই উচ্চ। বৌদ্ধ ধৰ্মত দীক্ষিত হ'বৰ বাবে ধৰ্মানুষ্ঠান 'গোম্পা'লৈ যোৱাৰ এটি পৰম্পৰা মনপা সমাজত আজিও প্ৰচলিত হৈ আছে। এইক্ষেত্ৰতত টাৱাঙৰ গোম্পাই অধিকতৰ ৰূপত প্ৰাধান্য পাই আহিছে।

পূণ্য অৰ্জন তথা মৃতকৰ আত্মাৰ পৰিনিৰ্বাণ কামনাৰে 'মাণি'[২] স্থাপনৰ কাৰ্যক অতিকে পৱিত্ৰ বুলি গণ্য কৰা হয়। এই মাণিসমূহত বিভিন্ন সুক্ত, ধৰ্মীয় বাণী উৎকীৰ্ণ কৰা বিভিন্ন প্ৰাচীন শিলালেখ সংযুক্ত কৰা হয়। আমাৰ গৱেষণাৰ বাবে নিৰ্বাচিত অঞ্চলটিত সৰ্বমুঠ এশ আঠটা মাণি অৱস্থিত। এই মাণিসমূহৰ গাত সন্নিৱিষ্ট

কৰা শিলালেখসমূহৰ লিপিসমূহক তীব্বতীয় লিপিৰে এটা আঞ্চলিক সংস্কৰণ বুলিব পাৰি। মনপাসমাজৰ গোম্পাসমূহত সংৰক্ষিত ধৰ্মীয় গ্ৰন্থসমূহৰ ভাষা তীব্বতী।

## ২.০২ মনপা জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবাহ :

মনপা সমাজত অতীজতে এক পতি পত্নী বিবাহৰ সমান্তৰালভাৱে বহুপতি বিবাহ আৰু বহু পত্নী বিবাহৰো প্ৰচলন থকাৰ তথ্য পোৱা যায়। এই ক্ষেত্ৰতাচনৰ ক্ষেত্ৰত মহিলাগৰাকীৰো কিছু পৰিমাণে স্বাধীনতা আছিল। কিন্তু সাম্প্ৰতিক সময়ত মনপা সমাজত প্ৰধানকৈ এক পতি-পত্নীৰ বিবাহেই সৰ্বজনস্বীকৃত। এই ক্ষেত্ৰত কইনা নিৰ্বাচনৰ বাবে দৰাৰ অভিভাৱকেই বিশেষভাৱে আগভাগ লয়। এখন বিবাহ অনুষ্ঠিত হ'বৰ বেলিকা কইনাঘৰৰ পৰা য়েন (যাৱতীয় সামগ্ৰী, যৌতুক) দিয়াৰ এটি পৰম্পৰা মনপা সমাজত দেখা পোৱা যায়। আনহাতে দৰাঘৰৰ পৰাও পোহনীয়া মেঠোন কইনাঘৰলৈ আগবঢ়োৱাৰ নিয়ম তেওঁলোকৰ সমাজত প্ৰচলিত। মনপা সমাজত বিবাহ অনুষ্ঠানৰ বাবে দৰা আৰু কইনাৰ বয়সৰ সমতা থকাটো বাঞ্চনীয়। পতিৰ বিয়োগৰ পাছত বিধৱা নাৰীগৰাকীয়ে পুনৰ আন কোনো পুৰুষক বিবাহ কৰাব পাৰে। এইক্ষেত্ৰত বিশেষ কোনো বাধা থকা দেখা নাযায়। মনপা সমাজত সাধাৰণতে বিবাহ বিশ্চেদৰ প্ৰাবল্য পৰিলক্ষিত নহয়। কিন্তু কিবা এক বিশেষ কাৰণত বিবাহ বিশ্চেদ হ'ব লগাৰ পৰিস্থিৰ উদ্ভৱ হ'লে চোৰগেনৰ অনুমতি সাপেক্ষে মেল চপোৱা হয় । সেই মেলৰ সিদ্ধান্ত মৰ্মে স্বামী -স্ত্ৰীৰ মাজত বিবাহ বিশ্চেদ হ'ব পাৰে। আনহাতে এই বিবাহ বিশ্চেদৰ বাবে দায়ী পক্ষটোৱে আনটো পক্ষক এক বুজন পৰিমাণৰ ক্ষতিপূৰণ দিব লগা হয়। এই ক্ষতিপূৰণৰ লেখ দণ্ড অনুযায়ী চোৰগেনকে প্ৰমোখ্য কৰি গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলে নিৰ্ণয় কৰে।

## ০.০৩ খোৰ দেপকা প্ৰথা :

ব্ৰোকপাসকলৰ মাজত প্ৰচলিত এটি পৰম্পৰাগত বিবাহ পদ্ধতি হ'ল খোৰ দেপকা প্ৰথা। খোৰ দেপকা প্ৰথাৰ বিষয়ে সুকীয়াকৈ আলোচনা কৰাৰ কাৰণ হ'ল এই পৰম্পৰাটো কেৱল মাত্ৰ মনপা জনগোষ্ঠীৰ ব্ৰোকপাসকলৰ মাজতহে দেখা পোৱা যায়। এই প্ৰথা অনুসৰি ঘৰৰ মহিলা গৰাকীয়ে যদি ইচ্ছা কৰে তেন্তে সমাজে সম্পূৰ্ণ সামাজিক প্ৰথাৰে দুজন পুৰুষৰ লগত একে সময়তে বৈবাহিক জীৱন কটোৱাৰ অনুমতি দিয়ে। অৱশ্যে এই বিবাহৰ বাবে নিৰ্বাচিত দ্বিতীয় পতিজন প্ৰথম স্বামীৰ একে ফৈদৰে হোৱা বাঞ্চনীয়। এস প্ৰথাৰ উৎস বিচাৰি গ'লে দেখা যায় যে ব্ৰোকপাসকলে মাহৰ পাছত মাহ ধৰি মেথোন- জু-মু আদি লৈ ব্যস্ত থাকিব লগা হয়। বিশেষকৈ মেথোন পালন কৰা ব্ৰুকপাসকল পাহাৰীয়া অৰণ্যৰ মাজত দৈনিক মেথোনৰ লগতে ব্যস্ত থাকিব লগা হয়। মেথোনে গ্ৰীষ্মৰ উত্তাপ সহ্য কৰিব নোৱাৰে। এতেকে গৰমৰ দিনত মেথোনৰ জাকবোৰ শীতল ঠাইৰ সন্ধানত মাইলৰ পাছত মাইল পাহাৰ বগাই ইঠাইৰ পৰা সিঠাইলৈ প্ৰব্ৰজন কৰি ফুৰে। মেথোন ৰখীয়া ব্ৰোকপাসকলো মেথোনৰ লগে লগে ঘৰৰ পৰা আতৰি অৰণ্যৰ মাজতে দিন অতিবাহিত কৰিব লগা হয়। তেনে ক্ষেত্ৰত ঘৰ-বাৰী পৰিচালনাৰ বাবে এজন পুৰুষৰ প্ৰয়োজন হয়। তেনে ক্ষেত্ৰত স্বামী স্ত্ৰী দুয়োৰে সন্মতি সাপেক্ষে তেওঁলোকৰ ঘৰলৈ খোৰ দেপকা পাতি স্বামীৰ ফৈদৰ এজন ডেকাক চপাই লোৱাৰ নিয়ম

ব্ৰুকপাসকলৰ ক্ষেত্ৰত স্বতঃসিদ্ধ ঘটনা আছিল। এনে এক স্থায়ী সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত মহিলাগৰাকীয়ে আগভাগ লয়। অৱশ্যে সাম্প্ৰতিক কালত ব্ৰোকপাসকলৰ মাজত এই পৰম্পৰা নাই বুলিলেই হয়। কাৰণ আজিৰ প্ৰেক্ষাপটত তেওঁলোকেও এক পতি-পত্নী বিবাহৰ প্ৰতিহে অধিক আগ্ৰহী।

## ০.০৪ মনপাসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত শৱ সৎকাৰ প্ৰণালী :

প্ৰতিটো মানৱগোষ্ঠীৰে মৃত্যু সংস্কাৰৰ লগত জড়িত শৱ সৎকাৰ প্ৰণালী তথা প্ৰেতকৰ্মৰ ক্ষেত্ৰত কেতবোৰ নিজা নিজা বৈশিষ্ট্য পৰিলক্ষিত হয়। মনপাসকলৰ ক্ষেত্ৰতো শৱ সৎকাৰ তথা মৃতকৰ অন্তেষ্টিক্ৰিয়াৰ ক্ষেত্ৰত এক নিজা বৈশিষ্ট দেখা পোৱা যায়। মনপাসকলৰ পৰম্পৰাগত নিয়ম অনুসৰি মৃতদেহক এশ আঠটুকুৰা কৰি বোৱতী নদীৰ পানীত উটাই দিয়া হয়। লোকবিশ্বাস অনুসৰি মৃতদেহৰ খণ্ডিত টকুৰাসমূহ মাছ ভক্ষণ কৰিলে মৃত লোকজনৰ আত্মাই শান্তি লাভ কৰে। এই কাৰ্য সমাপন কৰা ব্যক্তিজনক মনপা ভাষাত থাম্পা বোলা হয়। থাম্পাসকলে অতি নিয়াৰিকৈ শৱ সৎকাৰৰ এই কৰ্ম সমাপন কৰিব লগা হয়। অকস্মাত যদি কেনেবাকৈ এনেদৰে টকুৰা কৰোতে হিচাৱ অনুসৰি নহৈ টুকুৰাসমূহ কম-বেছ হোৱাটো অমংগলৰ লক্ষণ। সাম্প্ৰতিক সময়ত মনপা সমাজত মৃতদেহ দাহ কৰাৰ পৰম্পৰাও দেখা যায়। অপঘাটত মৃত্যু হোৱা লোকৰ মৃতদেহ পুতি থোৱা হয়।

মৃতকৰ আত্মাৰ সদগতি কামনা কৰি লামাৰ সহযোগত কেতবোৰ ধৰ্মীয় কাৰ্য সমাপন কৰা হয়। ইয়াৰোপৰি শৈল স্তুপ মণি একোটা সাজি ভগৱানৰ ওচৰত সমৰ্পণ কৰি ত্বানখ্বন (বৌদ্ধ স্তুতিসম্বলিত নিচান) উৰুৱাই মৃতকৰ স্বৰ্গযাত্ৰাৰ পথ সুচল কৰে।

## ৩.০০ মনপা সমাজত প্ৰচলিত ব্ৰোকপা প্ৰথা :

জীৱ-জন্তু পালনকে জীৱিকাৰ উপায় হিচাপে গ্ৰহণ কৰা লোকক মনপা ভাষাত ব্ৰোকপা বোলা হয়। ব্ৰোকপা শব্দটো অসমীয়া গৰখীয়া শব্দৰ সমাৰ্থক। মনপা সমাজত অতীজৰে পৰাই মেথোন তথা গৰু গায় পালনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। মনপা সমাজত যিজন লোকে ব্ৰোকপা হিচাপে কাৰ্য সম্পাদন কৰে বহুক্ষেত্ৰত ঘৰুৱা জীৱনৰ লগত সম্পৰ্ক ৰাখিবলৈ তেওঁ আহৰিয়ে নাপায়। উল্লেখ্য যে শীতল পাৰ্বত্য অঞ্চলত তেওঁলোকে নিজৰ নিজৰ পোহনীয়া জন্তুবোৰক এৰি দিয়ে। বহু ক্ষেত্ৰত মেথোন বা গৰু আদি পশুধনক বান্ধ ৰখা নহয়। বনৰ মাজত মুকলিকৈ চৰিবলৈ পোৱাৰ বাবেই এই জন্তুবোৰ একপ্ৰকাৰৰ বনৰৰীয়াই হৈ পৰে। বনৰ মাজত চৰি ফুৰা মেথোনবোৰে কেৱলমাত্ৰ ব্ৰোকপাজনৰ মাতহে বুজিব পাৰে। ব্ৰোকপাসকলেও মেথোনবোৰৰ ওপৰত চকু দি সিহঁতক অনুসৰণ কৰি ৰাতি দিন অৰণ্যতে কটাব লগীয়া হয়।

ব্ৰোকপাসকল জীৱ-জন্তু পালনৰ ক্ষেত্ৰত সিদ্ধহস্ত। বৰ্ণসংকৰ অৰ্থাৎ বীৰ্যৰ সংমিশ্ৰণত উন্নত প্ৰজাতিৰ গৰু ম'হ উৎপাদৰ বাবে আজি পশু চিকিৎসক তথা বিজ্ঞানীসকলে যেনে কৃত্ৰম পদ্ধতি অৱলম্বন কৰে সেই পদ্ধতি বহু যুগৰ পূৰ্বেই মনপা জনগোষ্ঠীৰ ব্ৰোকপাসকলে পৰম্পৰাগত নিয়মেৰে পালন কৰি আহিছে। প্ৰধানতঃ মেথোন আৰু গৰুৰ সংমিশ্ৰণ কৰি তেওঁলোকে জো-মো, য়াজো-মিন আদি বৰ্ণসংকৰ প্ৰজাতিৰ জীৱৰ সৃষ্টি কৰে। এনেদৰে বৰ্ণসংকৰ কৰি জন্ম দিওৱা জো-মো বা য়া-জোমিনে সচৰাচৰ স্বাভাৱিক অৱস্থাতকৈ অধিক গাখীৰ দিয়ে। তদুপৰি য়াক বা মেথোনৰ ক্ষেত্ৰত দেখা দিয়া প্ৰধান অসুবিধাটো হ'ল ইহঁতে কেৱলমাত্ৰ বৰফ

অধ্যুষিত শীতল অঞ্চলতহে বসবাস কৰিব পাৰে। সেয়ে অৰুণালচপ্ৰদেশত বসবাস কৰা ব্ৰোকপাসকলে শীতল পৰিৱেশ বিচাৰি ৰাওনা হোৱা মেথোনৰ জাকৰ পাছে পাছে গৈ কেতিয়াবা ভাৰতৰ ৰজনৈতিক সীমা অতিক্ৰম কৰি ভূটান বা তীব্বতৰ বৰফাবৃত অঞ্চলতো প্ৰৱেশ কৰিব লগাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। মেথোনৰ ক্ষেত্ৰত দেখা পোৱা এই অসুবিধাটো বৰ্ণশংকৰ জো-মো নাইমা য়া- জো মিনৰ ক্ষেত্ৰত দেখা পোৱা নাযায়। কেতিয়াবা গাই আৰু মেথোনৰ বৰ্ণসংকৰ পোৱালীটো  জো-মো নাইবা য়া-জো মিন নহৈ গ্লাং হয়। গ্লাং হোৱা পোৱালীয়ে মাকৰ গাখীৰ সৰ্বসাধাৰণ পোৱালীতকৈ অধিক সেৱন কৰে। গতিকে এনেধৰণৰ পোৱালী ওলালে ব্ৰোকপাসকলে  তাক মাৰি চালখন চেলাই মোটটোৰ  ভিতৰত শুকান খেৰ-নোম আদি সুমুৱাই পোৱালিটোৰ লেখীয়াকৈ থৈ দিয়েত। মাকে নিজৰ পোৱালীটো বুলি ভাবি গাখীৰ দিবলৈ আহোঁতে ব্ৰোকপাগৰাকীয়ে সেই চামৰী গাইজনীৰ ওহাৰৰ পৰা গাখীৰ খিৰায়। এই পদ্ধতি অৱলম্বন কৰা গাইৰ ক্ষেত্ৰত দিনটোত দুয়োবেলা গাখীৰ খিৰাব পৰা যায় ।  আনহাতে সচৰাচৰ স্বাভাৱিক জোমো - চামৰী আদিক দিনটোত প্ৰধানকৈ পুৱাৰ ভাগতহে গাখীৰ দুহন কৰা হয়।

পশুপালক ব্ৰোকপাসকলৰ জীৱিকাৰ প্ৰধান উৎস হ'ল মেথোন, জোমো বা য়াজোমিনৰ গাখীৰেৰে উৎপন্ন কৰা চুৰপি (ঘিউ) আৰু পন্দৰ (পণীৰ) বিক্ৰী কৰা। তেওঁলোক পৰম্পৰাগত পদ্ধতিৰে গাখীৰৰ পৰা চুৰপি উৎপন্ন কৰাত অতিকে সিদ্ধহস্ত। ঘৰতে সাজি লোৱা একপ্ৰকাৰৰ যতন জপুৰ সহায়ত তেওঁলোকে গাখীৰ মথি চুৰপি প্ৰস্তুত কৰে। ঠিক তেনেকৈ গোটমৰা গাখীৰ চেকি তেওঁলোকে পন্দৰ প্ৰস্তুতক কৰে। ঘৰ এৰি ব্ৰোকত থকা ব্ৰোকপাসকলে অৰণ্যৰ মাজতে অস্থায়ী তম্বু সাজি এই ঘিউ-চুপি-পন্দৰ উৎপন্ন কৰে। এনেদৰে উৎপাদন কৰা চুৰপি তেওঁলোকে চামৰাৰ মোনাত আটোমটোকাৰীকৈ বান্ধি বিক্ৰীৰ বাবে সংৰক্ষণ কৰে। তেওঁলোকৰ মতে চুৰপি যিমানে পুৰণি হয় সিমানে তাৰ সোৱাদ অধিক হয়। সেয়ে বছেৰেকীয়াকৈ সংৰক্ষণ কৰা চুৰপিৰ মূল্য সৰ্বসাধাৰণ চুৰপিতকৈ তুলনামূলকভাৱে অধিক। মেথোন আৰু ভেড়াৰ নোমৰ পৰা ঊণ-সূতা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো ব্ৰোকপা পৰিয়ালৰ মহিলাসকল সিদ্ধহস্ত।

ব্ৰোকপাসকলে নিজৰ গাঁও এৰি ছমাহ-এবছৰৰ বাবে এক অনিশ্চিত জীৱনৰ বাবে বৰফাবৃত অঞ্চলসমূহলৈ ওলাই যাব লাগে। কোনো কোনো মূহূৰ্তত ব্ৰোকপাসকল সপৰিয়ালে ঘৰ দুৱাৰ  এৰি ব্ৰোকত যাব লগা হয়। সেয়ে এনে অৱস্থাত তেওঁলোকৰ মূল অৱলম্বন পশুপালনেই হৈ পৰে। এনেদৰে  যাযাবৰী জীৱন কটোৱা ব্ৰোকপা পৰিয়ালৰ সন্তানসকলৰ শিক্ষা-দীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অৰুণাচল প্ৰদেশ চৰকাৰ আৰু বিভিন্ন বে-চৰকাৰী সংস্থাই কেতবোৰ 'ৰেচিডেঞ্চিয়েল স্কুল' প্ৰতিষ্ঠা কৰিছে।

## ৪.০০ বিশ্বায়নৰ প্ৰভাৱ আৰু মনপা সমাজ :

সাম্প্ৰতিক সময়ত বিশ্বায়নৰ প্ৰভাৱ পৃথিৱীৰ প্ৰতিটো প্ৰান্ততে কম-বেছি পৰিমাণে পৰিলক্ষিত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ ফলত মানৱসমাজ আজি বহুদূৰ আগুৱাই যাবলৈ সক্ষম হৈছে। অৰুণাচল প্ৰদেশৰ দুৰ্গম প্ৰদেশত বসবাস কৰা মনপাসকলৰ সমাজজীৱনতো বাৰুকৈয়ে বিশ্বায়নে প্ৰভাৱ পেলাইছে। এই প্ৰভাৱৰ ফলত  মনপা সমাজ জীৱনৰ বিভিন্ন দিশত দ্ৰুত পৰিৱৰ্তনে দেখা দিছে। বিজুলি বাতি সংযোগৰ লগে লগে গাঁৱৰ প্ৰায় সকলো লোক দুৰদৰ্শনৰ সংস্পৰ্শলৈ আহিল। তদুপৰি বৰ্তমান ভ্ৰাম্যভাষ আৰু ইণ্টাৰনেট ব্যৱস্থাৰ যোগেদি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগত মনপাসকলে সংযোগ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। এই ক্ষেত্ৰত বৰ্তমান ভাষাৰ অন্তৰায়ো নাইকীয়া হ'ল, কাৰণ অৰুণালচ প্ৰদেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ ভাষিক মাধ্যম হিন্দী

আৰু ইংৰাজী। বৰ্তমান মনপা সমাজৰ নৱ প্ৰজন্মৰ সকলো লোকেই বিদ্যায়তনিক শিক্ষাৰ সংস্পৰ্শ লাভ কৰিছে।

সাম্প্ৰতিক সময়ত মনপা সমাজৰ সাজ-পাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তনে দেখা দিছে। পৰম্পৰাগত পোচাক 'চোবা'ৰ সলনি বতৰ্মান তেওঁলোকৰ সমাজত কোট-পেণ্টলোনৰ ব্যৱহাৰহে অধিকতৰ ৰূপত ব্যৱহাৰ হোৱা দেখা যায়। আনকি প্ৰাত্যহিক জীৱ যাত্ৰাৰ পৰা আঁতৰি অৰণ্যৰ মাজত কাল কটোৱা ব্ৰোকপাসকলৰ মাজতো আজি বহু পৰিমাণে আধুনিক পোচাক পৰিচ্ছদে জনপ্ৰিয়তা লাভ কৰিছে।

মনপা সমাজত সাক্ষৰতাৰ হাৰ বৃদ্ধি হোৱাৰ লগে লগে পৰম্পৰাগত বৃত্তিৰ পৰা আতৰি তেওঁলোকৰ একাংশই বৰ্তমান চৰকাৰী চাকৰি লাভ কৰি চহৰমুৱা হ'বলৈ আৰম্ভ কৰিছে। ইয়ো বিশ্বায়নৰ প্ৰভাৱতে সম্ভৱপৰ হৈছে।

মনপা সমাজৰ খাদ্যাভাস তথা কৃষিক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন ঘটিছে। বিভিন্ন ৰাসায়নিক সাৰ আৰু ঔষধৰ ব্যৱহাৰ দিনে বঢ়ি অহা পৰিলক্ষিত হৈছে। বিশেষকৈ বিভিন্ন শাকজাতীয় ৰবিশস্য উৎপাদন কৰি ভৈয়াম অঞ্চলৰ বজাৰলৈ পঠোৱাৰ ক্ষেত্ৰত বৰ্তমান মনপা সমাজৰ বিশেষ উৎসাহ দেখা পোৱা গৈছে। মনপা অধ্যুষিত অঞ্চলত ধান উৎপাদন নহয়। সেয়ে তেওঁলোকে ধানৰ বিকল্প স্বৰূপে পাহাৰৰ গাত মাকৈখেতি কৰিছিল। মাকৈৰ পৰা প্ৰস্তুত কৰা ককুং, চুচকুৰ, চুম্বা, থাচি আদিয়েই মনপাসমাজৰ প্ৰধান খাদ্য হিচাপে পৰিগণিত হৈছিল। বৰ্তমান মনপাসকলৰ খাদ্যাভাসত বিভিন্ন 'ফাষ্ট ফুড' আৰু আমদানিকৃত চাউলৰ ভাত সংযোজিত হৈছে।

এনে এক সন্ধিক্ষণনৰ বিশ্বায়নৰ প্ৰভাৱে এফালে যেনেকৈ মনপা সমাজত উন্নতিৰ পথ কাটি দিছে ঠিক তেনেকৈ মনপাসকলৰ পৰম্পৰাগত সমাজ তথা সংস্কৃতিলৈ কঢ়িয়াই আনিছে এক দ্ৰুততৰ পৰিৱৰ্তন। এনে পৰিৱৰ্তনৰ গৰাহত পৰি মনপা সংস্কৃতিৰ বহুখিনি দিশ আজি হেৰাই যোৱাৰ উপক্ৰম ঘটিছে।

## ০.০০ উপসংহাৰ

সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত মনপা জনগোষ্ঠীৰ সমাজ জীৱনলৈ ভালেখিনি পৰিৱৰ্তন আহিছে। সাক্ষৰতাৰ হাৰ বৃদ্ধিৰ লগে লগে পশুপালনৰ বিকল্প স্বৰূপে মনপাসকলে বৰ্তমান বিভিন্ন বৃত্তিত জড়িত হৈ পৰা পৰিলক্ষিত হৈছে। চৰকাৰী চাকৰিয়ালৰ সংখ্যাও মনপা সমাজত ক্ৰমাগতভাৱে বৃদ্ধি হ'ব ধৰিছে। আমাৰ অধ্যয়নৰ ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰি লোৱা থেমবাং, পাংমা আৰু লাগামৰ ভালেসংখ্যক ব্যক্তিয়ে বিভিন্ন চৰকাৰী পদত কাৰ্যনিৰ্বাহ কৰি আছে। সময়ৰ পৰিৱৰ্তন হ'লেও বৰ্তমানেও মনপা সংস্কৃতিত ব্ৰোকপা পৰম্পৰা পূৰ্বৰ দৰেই জীয়াই আছে। আজিও সৰহসংখ্যক মনপা লোকৰে জীৱিকাৰ প্ৰধান উৎস হ'ল পশুপালন।

মনপাসকলৰ প্ৰাত্যহিক জীৱন আৰু সাংস্কৃতিক পৰিক্ৰমালৈ লক্ষ্য কৰিলে দেখা যায় যে সাম্প্ৰতিক সময়ত বিশ্বায়নে তেওঁলোকৰ মাজতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এনে প্ৰভাৱৰ ফলত তেওঁলোকৰ জনজীৱনলৈ যথেষ্ট পৰিৱৰ্তন আহি পৰিছে। এনে পৰিৱৰ্তনে বহুক্ষেত্ৰত জনগোষ্ঠীটোৰ অৰ্থনৈতিক উন্নতিৰ পথ সুচল কৰি তুলিলেও পৰম্পৰাগত সাংস্কৃতিক পৰিক্ৰমালৈ এক প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। বিশেষকৈ ভাষিক আধিপত্য, আধুনিকতাৰ প্ৰভাৱ আদিৰ পৰিপ্ৰেক্ষিতত মনপা সংস্কৃতিৰ স্বকীয় ঐতিহ্য অক্ষুন্ন ৰখাটো অনাগত দিনত সম্ভৱপৰ হ'বনে সকলোৰে বাবে ই এটা অতিকে চিন্তনীয় বিষয়।

## (ক) **সহায়ক গ্ৰন্থপঞ্জী** :

গগৈ, লোকেশ্বৰ : অসমৰ লোক সংস্কৃতি
প্ৰকাশক : চাও দেৱজিৎ বৰুৱা, ভূপাল মধ্যপ্ৰদেশ
দ্বিতীয় প্ৰকাশ : আগষ্ট, ২০০৯

গোহাঁই, পেইম থি : জনজাতি সৌৰভ
(সম্পাদনা) প্ৰকাশক: জনজাতি গৱেষণা বিভাগ, সোনোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদ।
প্ৰথম প্ৰকাশ : মাৰ্চ, ২০০৯

বৰা, দেৱজিৎ : উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোকসংস্কৃতি
প্ৰকাশক : অপূৰ্ব কলিতা, এম আৰ পাব্লিকেশ্যন, গুৱাহাটী
প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০১৪

বৰা, দেৱজিৎ : উত্তৰ পূৱ ভাৰতৰ জনগোষ্ঠীয় উৎসৱ অনুষ্ঠান
প্ৰকাশক : অপূৰ্ব কলিতা, এম আৰ পাব্লিকেশ্যন, গুৱাহাটী
প্ৰথম প্ৰকাশ : নৱেম্বৰ ২০১৫

মহাথেৰ, ভদন্ত শাসনবংশ : পালি সাহিত্যৰ বুৰঞ্জী
প্ৰকাশক : ত্ৰিপিটক প্ৰকাশন পৰিষদ, চলাপথাৰ, শিৱসাগৰ।
প্ৰথম প্ৰকাশ- ২০১১

প্ৰসংগ সূত্ৰ ঃ

১। পালি সাহিত্যৰ বুৰঞ্জী, ভদন্ত শাসনবংশ মহাথেৰ, পৃষ্ঠা- ১৩-১৪

২। মণি (মাণি) হ'ল পূৰ্বপুৰুষৰ স্মৃতিত উৎসৰ্গিত একপ্ৰকাৰৰ পৰম্পৰাগত ধৰ্মীয় শৈলস্তুপ- য'ত ফ্ৰা বুদ্ধৰ বাণীসমূহ শিলৰ পাতত লিপিবদ্ধ কৰি ৰখা হয়।

## (খ) তথ্যদাতাৰ তালিকা :

| ক্ৰমিক নং | নাম | ঠিকনা | বয়স | বৃত্তি |
|---|---|---|---|---|
| ১ | চাংচিৰিং চেৰচুকপা | পাংমা, পশ্চিম কামেং জিলা,অৰুণাচল | ৫৯ | ব্ৰোকপা |
| ২ | পাচেং চেৰচুকপা | পাংমা,পশ্চিম কামেং জিলা, অৰুণাচল | ৩০ | শিক্ষক,<br>থেমবাং হেৰিটেজ স্কুল |
| ৩ | চাংগে মেৰাকপা | লাগাম, পশ্চিম কামেং জিলা, অৰুণাচল | ৬৮ | ব্ৰোকপা |
| ৪ | তিচৰিং গম্বু | থেমবাং, পশ্চিম কামেং জিলা, অৰুণাচল | ৪২ | ব্ৰোকপা |

## পৰিশিষ্ট :

প্ৰাসংগিক চিত্ৰ

কৰ্মৰত এটি মনপা পৰিয়াল        ব্ৰোকপা





য়া জুমিন- য়াক আৰু গৰুৰ বৰ্ণসংকা     পাংমা গাঁৱৰ বৌদ্ধ মঠ



